জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮৩৬/২০২০**

শ্ৰমিক কল্যাণ বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# ৩ লাখ ২২ হাজাৰ পঞ্জীয়নকৃত নিৰ্মাণ শ্ৰমিকৰ প্ৰত্যেকলৈ ৫ হাজাৰ টকাকৈ মোকলাই দিয়াৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৮ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগে ৰূপায়ণ কৰি থকা বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰে।

পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে বিভাগক ৰাজ্যখনৰ ৩ লাখ ২২ হাজাৰ পঞ্জীয়নকৃত নিৰ্মাণ শ্ৰমিকৰ প্ৰত্যেকলৈ চিকিৎসাজনিত সাহায্য ৫ হাজাৰ টকাকৈ আগবঢ়োৱাৰ বাবে দ্ৰুত পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। ৰাজ্য চৰকাৰে সমাজৰ দৰিদ্ৰ তথা অৱহেলিত লোকসকলৰ উত্তৰণৰ দিশত বিভিন্ন পদক্ষেপ লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে শ্বহীদ দয়াল দাস পানিকা স্বনিয়োজন আঁচনিৰ অধীনত চাহ বাগিচা অঞ্চলৰ নিৰনুৱা যুৱক-যুৱতীসকললৈ আত্মসংস্থাপনৰ কাম-কাজ হাতত লোৱাৰ বাবে ২৫ হাজাৰ টকাকৈ আগবঢ়োৱাৰ পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে শ্ৰমিক কল্যাণ বিভাগৰ বিষয়াবৰ্গক এই আঁচনিৰ অধীনত আৰু অধিক যোগ্য হিতাধিকাৰীক সামৰি লোৱাৰ বাবেও নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে অসংগঠিত শ্ৰমিকৰ পেঞ্চন আঁচনিৰ অধীনত ক্ষুদ্ৰ দোকানীসকলক সামৰি লোৱাৰ দিশতো পদক্ষেপ লোৱাৰ বাবে নিৰ্দেশ দিয়াৰ লগতে প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ দ্ৰুত ৰূপায়ণৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে আগন্তুক বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত পেঞ্চন আঁচনিৰ অধীনত অতি কমেও ১০ লাখ ক্ষুদ্ৰ দোকানীক পঞ্জীয়ন কৰাৰ দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে অসংগঠিত খণ্ডৰ শ্ৰমিকসকলক পঞ্জীয়নৰ বাবে আগবাঢ়ি অহাৰ বাবে আকৰ্ষিত কৰাৰ দিশত উপযুক্ত সজাগতা কাৰ্যসূচী গ্ৰহণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এইসকল লোকৰ আধাৰ পঞ্জীয়ন বৃদ্ধি কৰাৰ পদক্ষেপ লোৱাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে যাতে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ সুফল লাভ কৰিব পাৰে।

আজিৰ এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, শ্ৰমিক কল্যাণ বিভাগৰ প্ৰধান সচিব জে বি এক্কা, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী, শ্ৰম আয়ুক্ত ছাজাদ জামান হাজৰিকা উপস্থিত থাকে।

**স্বাক্ষৰঃ / বঃভাঃ**
**১৮/১২/২০২০**